*সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...*

Govt. of Assam Approved

*গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক*

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ২৪ সংখ্যা, ৫ আহাৰ, ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

*RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 24 * Date Of Published - 20 JUNE 2021 Rs. 5.00/-*

## দেশত মহামাৰী কৰ'নাৰ তৃতীয় জোৱাৰ অহাটো অপ্ৰতিৰোধ্য

**অনলাইন বাৰ্তাসেৱাঃ-** দ্বিতীয় জোৱাৰ শাম কটাক লৈ স্বস্তিৰ পৰিৱেশ বিৰাজ কৰিবলৈ ধৰাৰ সময়তে ভয়াৱহ ৰূপত দেশজুৰি আৰু অহা আৰম্ভ হ'ব কৰ'নাৰ তৃতীয় জোৱাৰ। দেশত মহামাৰী কৰ'নাৰ তৃতীয় জোৱাৰ অহাটো অপ্ৰতিৰোধ্য। ডেৰ-দুমাহৰ ভিতৰতে দেশবাসীক বিপৰ্যস্ত কৰিব মহামাৰী কৰ'নাই। এই সতৰ্কবাণী প্ৰেৰণ কৰিছে যশস্বী চিকিৎসা বিশেষজ্ঞ তথা দিল্লীস্থ এইমছৰ সঞ্চালকপ্ৰধান ৰণদ্বীপ গুলেৰিয়াই । বিশ্বপ্ৰসিদ্ধ চিকিৎসা বিশেষজ্ঞগৰাকীয়ে শনিবাৰে সাংবাদিকৰ আগত কৈছে যে যদিহে দেশবাসীয়ে কোভিডকেন্দ্ৰিক বাধ নিষেধসমূহ

*( আঠপৃষ্ঠাত চাওক)*

## দৈনিক তিনি লাখকৈ লোকক ভেকচিন প্ৰদান কৰা হ'ব

**অনলাইন বাৰ্তাসেৱাঃ-** জনতা ভৱনত সাংবাদিকৰ সৈতে হোৱা এক বাৰ্তালাপত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে ৰাজ্য চৰকাৰে ২১ জুনৰ পৰা ৩০ জুনলৈ বৰ্ধিত টিকাকৰণ অভিযান চলোৱাৰ সিদ্ধান্ত লৈছে। সেই অনুসৰি উক্ত কেইদিন দৈনিক তিনি লাখকৈ লোকক ভেকচিন প্ৰদান কৰা হ'ব। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ তৰফৰ পৰা দৈনিক তিনি লাখকৈ ভেকচিন প্ৰদান কৰিব

*(ছয়পৃষ্ঠাত চাওক)*




## মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভেকচিনেচনক লৈ বৃহৎ ঘোষণা

**অনলাইন বাৰ্তাসেৱাঃ-** মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ২১জুনৰ পৰা সমগ্ৰ ৰাজ্যতে আৰম্ভ হ'বলগীয়া বৰ্ধিত টিকাকৰণ অভিযান সন্দৰ্ভত ৰাজ্যখনৰ সকলো জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক আৰু চিকিৎসা মহাবিদ্যালয .কেইখনৰ অধ্যক্ষসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সৰ যোগে এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে অহা ২১ জুনৰ পৰা সমগ্ৰ ৰাজ্যখনত প্ৰতিদিনে তিনি লাখ লোকক টিকাকৰণ কৰাৰ লক্ষ্যত উপনীত হোৱাৰ বাবে এই কাৰ্যসূচী অভিযান আকাৰে



ৰূপায়ণৰ বাবে জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। তেখেতে ২১ জুনৰ পৰা ৩০ জুনলৈ এই লক্ষ্য বাহাল ৰখাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। অহাঅহা ২০ জুনৰ পৰা কেন্দ্ৰীয় চৰকাৰে ১৮ বছৰ উৰ্দ্ধৰ সকলো লোকলৈ বিনামূলীয়া ভেকচিন প্ৰদান কৰিব । নগৰ অঞ্চলত ২ টা খেপত ৰাতিপুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ টিকাকৰণ অব্যাহত থাকিব। আনহাতে, গ্ৰামাঞ্চলত ৰাতিপুৱা ৮ বজাৰ পৰা দিনৰ ১ বজালৈ এই কেন্দ্ৰসমূহে

*(ছয়পৃষ্ঠাত চাওক)*

## ২০২০-২১ শিক্ষাবৰ্ষৰ উচ্চআৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা বাতিল




**অনলাইন বাৰ্ত্তাসেৱাঃ-** এই বছৰ অসমত উচ্চ মাধ্যমিক (এইচ.এছ.এল. চি.) আৰু উচ্চতৰ মাধ্যমিক (এইচ.এছ.)ৰ চূড়ান্ত পৰীক্ষা অনুস্থিতি নহয বুলি, ৰাজ্য চৰকাৰে ঘোষণা কৰে। শিক্ষা মন্ত্ৰী ৰানোজ পেগুৱে উল্লেখ কৰে যে কোভিড পৰিস্থিতি পৰ্যালোচনা কৰাৰ পিছত ইয়াৰ সদস্যসকলৰ পৰামৰ্শ মৰ্মে এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। দশম শ্ৰেণী আৰু দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ মূল্যাংকনৰ চৰ্ত নিৰ্ধাৰণ কৰিবলৈ দুখন সমিতি গঠন কৰা হ'ব।

# ব্ৰহ্মপুত্ৰৰ ওপৰত শীঘ্ৰে তৃতীয়খন দলংঃ হিমন্ত বিশ্ব শৰ্মা



**অনলাইন বাৰ্তাসেৱাঃ-** মুখ্যমন্ত্ৰী ৰ্ড০ হিমন্ত বিশ্ব শৰ্মাই লোকনিৰ্মাণ (পথ) বিভাগৰ গুৱাহাটীৰ ফটাশিল আমবাৰীস্থিত মুখ্য অভিযন্তাৰ কাৰ্যালয়ত মুখ্যমন্ত্ৰী ৰ্ড০ হিমন্ত বিশ্ব শৰ্মাই লোকনিৰ্মাণ (পথ) বিভাগৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত ব্ৰহ্মপুত্ৰৰ ওপৰত গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী নিৰ্মীয়মাণ দলংখনৰ কাম-কাজৰ অগ্ৰগতি, ব্ৰহ্মপুত্ৰৰ ওপৰত পলাশবাৰী-শুৱালকুছি সংযোগী প্ৰস্তাৱিত দলঙৰ প্ৰাৰম্ভিক কাম-কাজৰ পৰ্যালোচনাৰ লগতে 'অসম মালা' আঁচনিৰ অধীনত ৰূপায়ণ হৈ থকা বিভিন্ন পথ প্ৰকল্পৰ অগ্ৰগতিৰ বিতং বুজ লয়। বৈঠকত লোকনিৰ্মাণ বিভাগৰ তৰফৰ পৰা গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী নিৰ্মীয়মাণ দলং, ব্ৰহ্মপুত্ৰৰ ওপৰত পলাশবাৰী-শুৱালকুছি সংযোগী প্ৰস্তাৱিত দলঙৰ ওপৰত যুগুতোৱা এক বিস্তৃত প্ৰেজেণ্টেচনো আগবঢ়োৱা হয়। বৈঠকত বিভাগে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলঙৰ নিৰ্মাণকাৰ্যই যথেষ্ট অগ্ৰগতি লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীক অৱগত কৰে। প্ৰায় ৩৭ শতাংশ কাম সম্পূৰ্ণ হোৱা এই দলংখনৰ নিৰ্মাণ ২০২৩ চনৰ মাৰ্চ মাহৰ ভিতৰত

(ছয়পৃষ্ঠাত চাওক)

# কোভিডৰ সৈতে দীঘলীয়া যুঁজৰ পিছত মিলখা সিঙৰ মৃত্যু



**অনলাইন বাৰ্তাসেৱাঃ-** কোভিড-আইচিইউৰ পৰা বাহিৰ ওলোৱাৰ পিছত, চাৰিবাৰ এছিয়ান গেমছৰ স্বৰ্ণ পদক বিজয়ী মিলখা সিঙৰ কোভিডৰ পিছত জটিলতাৰ বাবে মৃত্যু হয়। তেওঁৰ বয়স আছিল ৯১ বছৰ। ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মিলখা সিঙৰ মৃত্যুত টুইট যোগে শোক প্ৰকাশ কৰিছে। তেওঁক স্নাতকোত্তৰ চিকিৎসা শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানত চিকিৎসা কৰা হৈছিল। ৯১ বছৰীয়া মিলখা সিঙক ২৪ মে'ত "কোভিড নিউমোনিয়া"ৰ বাবে মোহালিৰ ফৰ্টিছ চিকিৎসালয়ৰ আইচিইউত ভৰ্তি কৰোৱা হয়। তাৰ পিছত তেওঁক ৩ জুনত চণ্ডিগড়ৰ পিজিআইএমইআৰলৈ স্থানান্তৰিত কৰা হৈছিল। তেওঁৰ পত্নী নিৰ্মলৰো কোভিডৰ পিছত হোৱা জটিলতাৰ বাবে মৃত্যু হৈছিল।

# দুটাতকৈ অধিক সন্তানৰ পিতৃ-মাতৃয়ে এতিয়াৰে পৰা নাপাব কোনো চৰকাৰী আঁচনিৰ সুবিধা



অনলাইন বাৰ্তাসেৱা - ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন আঁচনিসমূহৰ হিতাধিকাৰী হ'বলৈ হ'লে এতিয়াৰে পৰা বলৱৎ হ'ব জনসংখ্যা নীতি। দুটাতকৈ অধিক সন্তানৰ পিতৃ-মাতৃয়ে এতিয়াৰে পৰা নাপাব কোনো চৰকাৰী আঁচনিৰ সুবিধা। অন্য আঁচনি বাদেই, সদ্যহতে মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই আঁচনিতো অনুসৰণ কৰা হ'ব জনসংখ্যা নীতি। অৱশ্যে দুটি সন্তানৰ দৰে কঠোৰ নিয়ম নহয়, বৰং সদ্যহতে চাৰি বা পাঁচটা সন্তানৰ চৰ্ত আৰোপ কৰা হ'ব এই সুবিধা গ্ৰহণ কৰিবলৈ। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা ঘোষণা কৰি কয় যে ইতিমধ্যে ৰাজ্যত আৰম্ভ কৰা হৈছে জনসংখ্যা নীতি। প্ৰথম অৱস্থাত চাৰি-পাঁচটা সন্তানৰ পিতৃ-মাতৃকো আঁচনিৰ

(ছয়পৃষ্ঠাত চাওক)

# শিশুৰ ওপৰত কৰ'না সংক্ৰমণৰ তৃতীয় লহৰৰ অধিক প্ৰভাৱ নপৰে



**অনলাইন বাৰ্তাসেৱাঃ-** বিশ্ব স্বাস্থ্য সংস্থা আৰু অল ইণ্ডিয়া ইনষ্টিটিউট অব মেডিকেল ছায়েন্সেজ চমুকৈ এইমছে নিজৰ 'ছিৰো প্ৰিভেলেন্স ছাৰ্ভে'ত দাবী কৰে- শিশুৰ ওপৰত কৰ'না সংক্ৰমণৰ তৃতীয় লহৰৰ অধিক প্ৰভাৱ নপৰে। সমীক্ষাৰ তথ্য অনুসৰি প্ৰাপ্তবয়স্কৰ তুলনাত এছ এ আৰ এছ চি অ' ভি-২ ছিৰো পজিটিভিটিৰ হাৰ শিশুৰ দেহত অধিক পোৱা গৈছে। দিল্লীস্থিত এইমছৰ অধ্যাপক পুনীত মিশ্ৰই কয় যে দক্ষিণ দিল্লীৰ শৰণাৰ্থী কলনিত ছিৰো প্ৰিভেলেন্স ৭৪.৭ শতাংশৰো অধিক পোৱা গৈছে। সমীক্ষাৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে দ্বিতীয় লহৰৰ পূৰ্বে দক্ষিণ দিল্লীত বাস কৰা ১৮ বছৰৰ অনূৰ্ধৰ দেহত ছিৰো প্ৰিভেলেন্স ৭৩.৯ শতাংশ আছিল। অধিক ছিৰো

(ছয়পৃষ্ঠাত চাওক)

# অনুভৱ

প্ৰস্তুতি শৰ্মা,
গোলাঘাট বাণিজ্য মহাবিদ্যালয়



ভাল পোৱাৰ স্বৰলিপি তোমাক ভাল পাওঁ বুলি ক'লে ভাল পাব পাৰি যানো..... ভাল পোৱা মানে কি? অ শুনা না সেইযে দিনবোৰ তোমাৰ মনত আছেনে নাই, য'ত তোমাক লগ পাইছিলো.. তুমি মোৰ ফালে চাইছিলা মই তোমাৰ ফালে চাইছিলা, আমাৰ প্ৰেম একপক্ষীয় জানা, চিটিবাছখনত আজিকালি উঠিলেই মোৰ তোমালৈ মনত পৰে, নাজানো তোমাৰ মই ঠিকনা..... নাজানো তোমাৰ পৰিচয়, তথাপিও মই তোমাক ভাল পাওঁ..... তোমাৰ সজল চকুৰ চাৱণিত মই পৰিছিলো তোমাৰ প্ৰেমত....... বহুত দিন বহু বছৰ পাৰ হ'ল.. কেলেণ্ডাৰৰ পৃষ্ঠাবোৰ সলনি হ'ল...... কিন্তু তোমাক পাহৰিব নোৱাৰিলো.... কেতিয়াবা বৰষুণ সৰে, মন যায় তোমাৰ হাতত হাত থৈ বৰষুণত তিতিবলৈ.....মন যায় জোনাকত দুয়ো ওমলীবলৈ.......যানা আজিও উকা উকা লাগে...মনৰ পদূলি .... ফাগুনৰ বতাহত তোমাক লৈ কবিতা লিখো.. কেতিয়াবা তুমি মোৰ প্ৰেমিক হোৱা কেতিয়াবা মোৰ এটি শব্দ হোৱা........আৰু তোমাক একো নকওঁ..... মাথোঁ আজিও কওঁ তোমাক ভাল পাওঁ তোমাক.......দিবানে তোমাৰ উন্মুক্ত হৃদয়খনত মোৰ বাবে অকণ ঠাই...............

# তোমাৰ অবৰ্তমানত

ৰূপালী মহন্ত



তোমাৰ অবৰ্তমানত
বৃষ্টিৰ টোপাল বোৰ
নিৰ্বাক হয়
শাওনৰ পথাৰে উচুপি উঠে
বেদনাত শস্যহীন হয়
শীতৰ পথাৰ।
গভীৰ নীৰৱতাত
বেদনাক্লিষ্ট এখন ভয়ানক ছবি
অন্ধ আবেগৰ
তোমাৰ দীঘল চুলিটাৰিত
সৃষ্টিৰ অনুৰাগ
বিশাল নদীৰ উত্তাল ঢৌৰ
হেজাৰ সপোন।
তোমাৰ উজ্জ্বল চকুযুৰিত
বিষাদ নামিলে
মোৰ চকুত চকুলো নিগৰি বয়!
প্ৰাণবন্দৰত
আলফুলে সাঁচি থলো
তোমাৰ ছবি
তোমাৰ অবৰ্তমানত
বৰষুণৰ নিশা
অসঞ্জহিৰ ছায়াই মুখ লুকুৱাই
মই যেন নীৰৱ দৰ্শক
এদিন মোৰো মৃত্যু হ'ব
কবিতাত লিখাৰ দৰে!!

# ধীৰেণপাৰাত ৱাৰ্ড ভিত্তিত কোভিড আৰু ড্ৰাগছৰ বিৰুদ্ধে সজাগতা সমদল

অনলাইন বাৰ্ত্তাসেৱা - মহানগৰীৰ ফটাশিল আমবাৰী থানাৰ কেন্দ্ৰীয় নাগৰিক সমিতিৰ উদ্যোগত বুধবাৰে থানা এলেকাৰ ধীৰেণপাৰাত ৱাৰ্ড ভিত্তিত কোভিড আৰু ড্ৰাগছৰ বিৰুদ্ধে সজাগ কৰাৰ কাৰণে এক সমদল উলিওৱা হয়। ছনং ৱাৰ্ডৰ দেৱেন খাখলাৰী পথ, ৰঘুনাথ পথ, সুভাষ পল্লী, বহনুৰ আলী, শংকৰদেৱ পথত সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পথত থকা দোকান, ঘূৰি ফুৰা লোকক মাস্ক পৰিধান কৰাৰ লগতে সামাজিক দূৰত্ব বজাই ৰখাৰ বাবে সজাগ কৰি দিয়ে। উক্ত কাৰ্যসূচীত কেন্দ্ৰীয় নাগৰিক সমিতিৰ সভাপতি প্ৰভাত কুমাৰ দাস, ফটাশিল আমবাৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ছাইদুল ইছলাম, জনসেৱাৰ সভাপতি-সম্পাদক ক্ৰমে কুমুদ শৰ্মা, নুৰুল হক আহমেদ, অগপৰ জ্জ্বং ৱাৰ্ডৰ সম্পাদক উজ্জঞ্জ্বল কলিতা, নৱবিকাশ ফাউণ্ডেচনৰ সম্পাদক আখটাৰ হুছেইন, নাগৰিক সমিতিৰ ইন্দ্ৰজিৎ বৰ্মন, হীৰেন মেধি প্ৰমুখ্যে স্থানীয় ৰাইজ উপস্থিত থাকে।

# ফটাশিল বজাৰত ভয়ংকৰ যান-জঁট

মহানগৰীৰ গড়চুক-ভৰলু সংযোগী পথৰ ফটাশিল বজাৰত নিতৌ সৃষ্টি হোৱা ব্যাপক যান-জঁটে সকলোকে আহুকালত পেলাই আহিছে। বিশেষকৈ অকৰ্তৃত্বশীল ভাৱে পথৰ দাঁতিত, পদপথৰ ওপৰত বহা দোকান পোহাৰৰ ফলতে নিতৌ সৃষ্টি হোৱা যান-জঁটৰ বাবে নিৰ্ধাৰিত সময়ত গন্তব্য স্থান পোৱাটো দুৰূহ হৈ পৰে সাধাৰণ ৰাইজৰ বাবে। বিশেষকৈ ফটাশিল বজাৰৰ পথৰ দাতিত, পদপথৰ ওপৰত 'শাক-পাচলি, ফলমূল, মাছ-মাংস, জোতা চেণ্ডেলৰ দোকানকে ধৰি বিভিন্ন দোকান-পোহাৰ গঢ় লৈ উঠাত একাংশ লোকে এনে ধৰণৰ দোকানৰ পৰা বয়বস্ত ক্ৰয় কৰে। বহু নাগৰিকে নিজৰ দুচকীয়া, চাৰিচকীয়া বাহন পথৰ দাঁতিত ৰখাই বজাৰ-সমাৰ কৰাৰ ফলত পথটোত সৃষ্টি হয় তীব্ৰ যান-জঁট। দীঘলীয়া যান-জঁটত দীৰ্ঘ সময় ধৰি আবদ্ধ হ'বলগা হয় শতাধিক যান বাহন । মুঠৰ ওপৰত ফটাশিল বজাৰত সৃষ্টি হোৱা যান জঁটে বাৰুকৈয়ে জলা-কলা খুৱাই আহিছে সৰ্বসাধাৰণ ৰাইজক।

৫ আহাৰ, ১৪২৭ চন  Rongili Barta, Date of Published-  20 JUNE, 2021

# কৰ'না কালৰ দিনপঞ্জী

ডাঃ যুতিকা ওজা অধ্যাপিকা,
কমিউনিটী মেডিচিন বিভাগ, জি এম চি

বৰ্তমান কোভিড ৰোগৰ শংকাই সকলোকে জোকাৰি গৈছে। সকলোকে এতিয়া এক গভীৰ অনিশ্চয়তা, সংশয় আৰু উৎকণ্ঠাই আৱৰি আছে। কোভিড মহামাৰীৰ এই দ্বিতীয় ঢৌত আক্ৰান্তৰ সংখ্যাও বেছি আৰু সেই অনুপাতে মৃত্যুৰ হাৰো বেছি। এইবাৰৰ কোভিড ৰোগ প্ৰথমবাৰ্তকৈ বেছি ভয়াৱহ আৰু বেছি সংক্ৰমণশীল। এতিয়া পুৱা উঠাৰ পাছত ভগৱানক প্ৰাৰ্থনা কৰা হয় যাতে আজি একো বেয়া খবৰ নুশুনো। আনকি ঘৰৰ বাহিৰলৈ ওলাবলৈও এক অহেতুক ভয়। বজাৰ সমাৰ কৰিবলৈ ওলালেও এতিয়া চিনাকি লোকৰ লগত কথা-বতৰা পতাতকৈও তেওঁৰ পৰা কিমান দূৰত্বত আছে, সেইটোহে মন কৰা যায়। বিশেষ কাৰণত ঘৰৰ বাহিৰলৈ ওলাবলগীয়া হ'লেও সহজে ধুব পৰা সাজপাৰহে বিচাৰি উলিয়াই পিন্ধিব ধৰিছো। বহুতৰ ভাল কাপোৰ তথা নতুন কাপোৰ বৰ্তমান আলমাৰি আৰু বাকচৰ ভিতৰতে সোমাই থ'বলগীয়া অৱস্থা হৈছে।

কিছুদিন আগলৈ ফুৰিবলৈ গ'লে কোনে কি পোছাক পিন্ধিছে, মূৰৰ চুলি কেনেকৈ বান্ধিছে, লিপষ্টিকৰ ৰং আদি লক্ষ্য কৰা হৈছিল, কিন্তু এতিয়া মাস্কখন ঠিক মতে পিন্ধিছে নে নাই সেইটোহে লক্ষ্য কৰা হয়। বাহিৰলৈ ওলাই গ'লে কৰ'বাত বেয়া গোন্ধ পালে আগতে মনটো বেয়া লাগিছিল; এতিয়া যিকোনো গোন্ধ পালেও মনত ভাব হয় ৰক্ষা, ঠিকে আছো। বৰ্তমানৰ পৰিস্থিতিত নিজৰ লগতে ঘৰৰ আটাইৰে স্বাস্থ্য কথা সম্বন্ধীয় আৰু ওচৰ-চুবুৰীয়াৰ স্বাস্থ্যৰ কথা ভাবিবলগীয়া হৈছে। চিনাকি কাৰোবাৰ কাহ-জ্বৰ হোৱা বুলি শুনিলেই বুকু কঁপি যোৱা অৱস্থা হৈছে। আগতে ল'ৰা-ছোৱালীয়ে ঘৰত থকা সময়ত ইটো-সিটো খোৱাবস্তুৰ ফৰমাইচ দি থাকিলে কেতিয়াবা খঙো উঠিছিল। এতিয়া আকৌ খাবলৈ নাই বুলি ক'লেহে চিন্তা লগা হৈছে। আনকি হাঁচি মাৰিলেও আইতাই 'কুশল হওক' বুলি কোৱা কথাষাৰো এতিয়া সপোন হৈছেগৈ। এতিয়া মানুহৰ ঘৰৰ ড্ৰয়িংৰুমত ফুলদানিৰ লগতে ছেনিটাইজাৰৰ বঁটলেও শোভা পাইছে। মহিলাসকলে পাছত পাৰফিউমৰ বটলৰ লগতে ছেনিটাইজাৰৰ বঁটলো ৰাখিবলৈ আৰম্ভ কৰিছে। পুৰুষসকলেও পেণ্টৰ জেপত বা অফিচৰ টেবুলত ছেনিটাইজাৰৰ বটল ৰখা কৰিছে। বেছিভাগ মানুহৰ ঘৰতেই চিকিৎসা সা-সৰঞ্জাম হিচাপে থামমিটাৰৰ লগতে ৰক্তচাপ জোখা যন্ত্ৰ, তেজৰ ছুগাৰ জোখা যন্ত্ৰ আছে। এতিয়া তাৰ লগতে শৰীৰৰ অক্সিজেন ছেচুৰেচন জুখিবৰ বাবে পাল্ছ অক্সিমিটাৰ নামৰ নতুন সৰঞ্জামবিধো অন্তৰ্ভুক্ত হৈছে।

যোৱা বছৰৰ লকডাউনৰ সময়ত বহুতেই পাকৈত ৰান্ধনি হ'ল। বহুতে সাহিত্য চৰ্চা কৰিলে, ফুলেৰে ঘৰ পদূলি জাতিষ্কাৰ কৰিলে, সৰুকৈ হ'লেও খেতি-বাতি কৰিলে। এইবাৰ সম্পূৰ্ণ লকডাউন হোৱা নাই যদিও কিছুদিনলৈ অফিচসমূহ বন্ধ দিয়া হৈছে। কিন্তু এইবাৰ বহুতৰে এনেধৰণৰ উৎসাহ দেখা নাই। কাৰ্ফিউৰ বাবে বাহিৰলৈ ফুৰিবলৈও যাব পৰা নাই। ইয়াৰ প্ৰভাৱ মানুহৰ স্বাস্থ্যতো পৰিছে। কিছুমান মানুহে মাত্ৰাধিকভাৱে শকত হোৱাৰ লগতে আৰ্থিক দুৰৱস্থাৰ বাবে কিছুমানৰ স্বাস্থ্যৰ অৱনতি ঘটাও দেখা পোৱা গৈছে।

বহুতৰে সময়বোৰ এতিয়া যোগাসন, ব্যায়াম, গৰম পানীৰে কুলি কুলি কৰা, মুখ আৰু নাকেৰে গৰম ভাপ লোৱা আদিৰেই পাৰ হৈছে। বাতৰি কাকত, টেলিভিছন, মোবাইল ফোনৰ জৰিয়তে মানুহে সময়বোৰ পাৰ কৰিবলৈ চেষ্টা কৰিছে যদিও মনোৰঞ্জনৰ পৰিৱৰ্তে কোভিড ৰোগৰ বতৰাসমূহে মানুহৰ সংশয়ৰহে সৃষ্টি কৰিছে। দুখৰ বিষয় যে বিগত সময়ত কোভিড ৰোগৰ বাবেই আমি ভালকেইগৰাকী প্ৰথিতযশা ব্যক্তিক হেৰুৱালো। কোনো কোনো ব্যক্তিৰ প্ৰত্যক্ষভাৱে ক্ষতি হোৱা নাই যদিও বিভীষিকাময় খবৰবোৰে সকলোকে জোকাৰি আছে। কোনোবাই আপোনজনক, কোনোবাই চিনাকিজনক হেৰুৱাইছে যদিও বৰ্তমানৰ পৰিস্থিতিত মৃতকৰ অন্তিম দৰ্শন কৰিবলৈ যাব পৰা নাই। শোকবিহ্বল পৰিয়ালক সান্তনা দিবলৈ যাব পৰা নাই। মনে হাহাকাৰ কৰিছে, কিন্তু সকলোৱে উপায়বিহীন হৈ পৰিছে।

এই সকলো সমস্যা দূৰ কৰাৰ বাবে একমাত্ৰ উপায় হ'ল কোভিড ৰোগক প্ৰতিৰোধ কৰা। সময় মতে কোভিডৰ প্ৰতিষেধক (ভেকচিন) লোৱাৰ উপৰি সংক্ৰমণ প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় বিহীত ব্যৱস্থাসমূহ গ্ৰহণ কৰা। তেতিয়াহে এই ৰোগৰ সংক্ৰমণ ৰোধ হ'ব আৰু আমি সকলোৱে পুনৰ আগৰ দৰে শংকাহীনভাৱে জীৱন যাপন কৰিব পাৰিম।



# বিষ্ণুপ্ৰসাদ ৰাভা আৰু নাৰী মুক্তি সংগ্ৰাম

বিন্দু ৰাজবংশী কলিতা

এহাতে কলম আৰু এহাতে অস্ত্ৰ লৈ শোষিত, নিস্পেষিত হোজা কৃষক ৰনুৱা, বনুৱাৰ মুক্তিৰ বাবে আজীৱন বিপ্লৱ কৰি যোৱা বিষ্ণুপ্ৰসাদ ৰাভাই নাৰী মুক্তিৰ বাবেও সংগ্ৰাম কৰিছিল। তেওঁৰ মতে বিপ্লৱ অবিহনে শোষক শ্ৰেণীৰ পৰা নাৰীক মুক্ত কৰা সম্ভৱ নহয়।

জ্ঞানপীঠ বটাঁ বিজয়ী প্ৰয়াত সাহিত্যিক ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই কৈছিল যে "নাৰীৰ সংস্পৰ্শলৈ আহিলে নাৰীক বুজিব পাৰিব লাগিব"।

ৰাভাদেৱৰ জীৱনলৈও বহুকেইগৰাকী নাৰীৰ প্ৰৱেশ ঘটিছিল। প্ৰগতিশীল আৰু উদাৰদৃষ্টি ভংগীৰ মহান শিল্পী গৰাকীয়ে নাৰীৰ শোষিত আৰু বেদনাময় জীৱনটোৰ কথা অতি ভালদৰে উপলব্ধি কৰিব পাৰিছিল। শিশু

*(পাঁচ পৃষ্ঠাত চাওক)*




# বিষ্ণুপ্ৰসাদ ৰাভা আৰু নাৰী মুক্তি সংগ্ৰাম

অৱস্থাৰ পৰাহ নাৰীক সন্মান দিব জানিছিল কাৰণ সৰুৰে পৰাই তেওঁ মাতৃৰ ধৈৰ্য্য আৰু সহনশীলতাৰ ৰূপটো প্ৰত্যক্ষ কৰিছিল। পিছলৈ বৈপ্লৱিক জীৱনত তেওঁৰ তিনিগৰাকীকৈ পত্নীৰ পৰা পোৱা অনুপ্ৰেৰণা, সাহস আৰু সহযোগিতাৰে নিজৰ কলাসাধন কৰাৰ লগতে কাইটিয়া পথ অতিক্ৰম কৰিবলৈ সক্ষম হৈছিল।

বিষ্ণুপ্ৰসাদ ৰাভাই গ্ৰাম্য সমাজৰ সহজ সৰল শিপিনী, ৰোৱনী, দাৱনীসকলৰ মুক্তিৰ বাবে সংগ্ৰাম কৰিছিল। হোজা কৃষক, ৰনুৱা বনুৱা ভাই সকলৰ লগতে নাৰীৰ দুখ দুৰ্দশা আৰু নিস্পেষিত জীৱনৰ যাতনাক মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। নাৰীৰ গুণ গৰিমাৰে যে এখন সুস্থ সবল সমাজ গঢ়ি প্ৰগতিৰ পথৰে আগুৱাই যাব পাৰি সেহ কথাও বুজিব পাৰিছিল। স্বাধীনতাৰ পিছতো ভাৰতীয় নাৰীৰ যাতনা তেওঁ স্পষ্টকৈ দেখিছিল। পুজিবাদী সমাজ ব্যৱস্থাত নাৰী পুৰুষ উভয়ে নিৰ্যাতিত, শোষিত আৰু পদদলিত। সেইকাৰণে তেওঁ এই ব্যৱস্থাৰ অৱসান ঘটায় সাধাৰণ জনতাৰ মুক্তিৰ বাবে সংগ্ৰামত লিপ্ত হৈছিল। তেওঁৰ মতে ধনতান্ত্ৰিক আৰু পুজিবাদী সকলে কৃষক, শ্ৰমিক আৰু নাৰী সকলক শোষণ কৰাৰ পথ প্ৰশস্ত কৰিছিল গতিকে শ্ৰেণীহীণ সমাজ এখনৰ সপোন দেখি নাৰী পুৰুষক সমঅধিকাৰ দিবৰ বাবে বিপ্লৱ আৰম্ভ কৰিছিল। এইগৰাকী বিপ্লৱী শিল্পীয়ে কলমৰ লগতে অস্ত্ৰও হাতত তুলি লৈছিল। বিপ্লৱী পথেৰে অগ্ৰসৰ হোৱা সময়ছোৱাত তেওঁ অনেকবাৰ ৰাজদ্ৰোহৰ অপৰাধত কাৰাবাস খাটিব লগীয়া হৈছিল। ৰজাঘৰীয়াৰ দৃষ্টিৰ পৰা নিজকে আতৰাই অজ্ঞাতবাস খাটি থকা কালছোৱাত তেওঁ কেইবাটাও ফৌজ গঠন কৰিছিল। তাৰ ভিতৰত "কৃষক বনুৱা ফৌজ" আৰু

*(ছয়পৃষ্ঠাত চাওক)*



# বিষ্ণুপ্ৰসাদ ৰাভা আৰু নাৰী মুক্তি সংগ্ৰাম

“নাৰী মুক্তি ফৌজ” নামে গঠন কৰা ফৌজ দুটাৰ জৰিয়তে অসমৰ সাধাৰণ জনতাৰ মাজত ধনতান্ত্ৰিক আৰু পুজিবাদী সমাজৰ শোষনৰ বিৰুদ্ধে তীব্ৰ আন্দোলন গঢ়ি তুলিছিল। আটাইতকৈ উল্লেখনীয় কথা যে নাৰী মুক্তি আন্দোলনত ৰাভাদেৱৰ দুই পত্নী কনকলতা মেধি মোহিনী ৰাভাই স্বামীক সৰ্বতোপ্ৰকাৰে সহযোগিতা আগবঢ়াইছিল।নাৰীক সাৱলীল কৰি গঢ়ি তুলিবলৈ বিভিন্ন ঠাইত নাৰী মুক্তি সংঘ স্থাপন কৰিছিল। গ্ৰাম্যাঞ্চলৰ মহিলা সকলৰ মাজত সজাগতা বৃদ্ধি কৰিছিল। তেওঁলোকে এই কথা বুজাইছিল যে শোষক শ্ৰেণীৰ পৰা মুক্ত হব পাৰিলেহে নাৰীয়ে এদিন সম মৰ্যাদা লাভ কৰিব। ৰনুৱা বনুৱা সকলক উৎসাহিত কৰিবলৈ ৰাভাদেৱে কলমৰ জৰিয়তে অনেক গীত মাত কবিতাৰ সৃষ্টি কৰিছিল। সংগ্ৰামী শিল্পীগৰাকীৰ কালজয়ী প্ৰতিটো গীত আৰু কবিতাই জনতাৰ হৃদয়ত আজিও বাজি আছে। সমগ্ৰ অসমৰ প্ৰতিটো জাতি জনগোষ্ঠীৰ নাৰীসকলৰ সকলৰ মন প্ৰাণ জাগ্ৰত কৰিবৰ বাবে তেওঁৰ কলমেৰে নিগৰিত হৈছিল এইদৰে-

সবলা অবলা হোজা ট্ৰাইবেল নাৰী
নেথাকিবি তয়ো পিছপৰি
বুকুত মেঠনি মাৰি তয়ো আগবাঢ়
নতুন যুগৰ পাতনি মেল
জাগ ট্ৰাইবেল, জাগ ট্ৰাইবেল।
জাগিব লাগিব তই কছাৰি গাড়ো
মিকিৰ বড়ো কোঁচ,
পাতিব লাগিব নবমেল
জাগ ট্ৰাইবেল।”

এই মহান বৈপ্লৱীক শিল্পী গৰাকীয়ে নাৰী মুক্তিৰ বাবে এইদৰে বিপ্লৱ কৰিছিল।নাৰীৰ প্ৰতি থকা তেওঁৰ সন্মান, আদৰ আৰু অৱদানক শ্ৰদ্ধাৰে সোঁৱৰিছো।



# প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱালৰ মোদীৰ কেবিনেটত প্ৰৱেশৰ সম্ভাৱনা

**অনলাইন বাৰ্ত্তাসেৱাঃ-** দ্বিতীয় বাৰৰ বাবে বিজেপিয়ে শাসনভাৰ গ্ৰহণ কৰাৰ পিছত সোণোৱালৰ পিছত হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ দায়ীত্ব গ্ৰহণ কৰে। বিজেপি সূত্ৰৰ পৰা জানিব পৰা গৈছে যে দলৰ নেতৃত্বৰ দ্বাৰা সোণোৱালক দিল্লীলৈ মাতি পঠিওৱা হৈছিল।

প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল কেন্দ্ৰীয় মন্ত্ৰীসভাত মন্ত্ৰীত্বৰ দায়ীত্ব পোৱাৰ সম্ভাৱনা আছে। তেখেত বৰ্তমান দিল্লীত উপস্থিত হৈছে আৰু ইয়াৰ লগতে তেখেতক কোনো এখন ৰাজ্যৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়াৰো অনুমান কৰিব পৰা যায়।

# হিমন্ত বিশ্ব শৰ্মাৰ ভেকচিনেচনক

সেৱা অব্যাহত ৰাখিব।এই সময়খিনিৰ ভিতৰত কেন্দ্ৰত প্ৰৱেশ কৰা সকলো লোকক টিকাকৰণ কৰা হ'ব। চাহ বাগিচাকে ধৰি সকলো অঞ্চল এই ব্যাপক কাৰ্যসূচীৰে সঠিকভাৱে সামৰাৰ পদক্ষেপ ল'বলৈ তেখেতে নিৰ্দেশ দিয়ে। দুখীয়া-নিছলা তথা নিৰক্ষৰ জনসাধাৰণক টিকাকৰণৰ পঞ্জীয়নত সহায় কৰাৰ বাবে সকলো টিকাকৰণ কেন্দ্ৰত থিতাতে পঞ্জীয়ন কৰিব পৰা একোগৰাকীকৈ সুনিৰ্দিষ্ট পঞ্জীয়ন কৰ্মী থাকিব বুলিও তেখেতে কয়।

# দুটাতকৈ অধিক সন্তানৰ পিতৃ-মাতৃয়ে

সুবিধা দিয়া হ'ব যদিও লাহে লাহে ইয়াৰ সুবিধা দুটি সন্তানলৈ হ্ৰাস কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে এছ টি, এছ চি আৰু চাহ বাগিচাৰ লোকসকলক বাদ দি আন সকলো লোকৰ ক্ষেত্ৰতে প্ৰযোজ্য হ'ব জনসংখ্যা নীতি। মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাইৰ ক্ষেত্ৰতো এছচি এছটি আৰু চাহ জনগোষ্ঠীক বাদ দি সকলো লোকৰ ক্ষেত্ৰতে চাৰি বা পাঁচটা সন্তানৰ নীতি প্ৰযোজ্য হ'ব। অৰ্থাৎ চাৰি বা পাঁচটা সন্তানতকৈ অধিক সন্তানৰ মাতৃয়ে লাভ নকৰিব ঋণ ৰেহাইৰ সুবিধা। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে ভৱিষ্যতে অৰুণোদয়, মুখ্যমন্ত্ৰীৰ আৱাস যোজনা, প্ৰধানমন্ত্ৰীৰ আৱাস যোজনা আদিকে ধৰি সকলো চৰকাৰী আঁচনিতেই জনসংখ্যা নীতিৰ নিয়ম প্ৰৱৰ্তন কৰা হ'ব।

# শিশুৰ ওপৰত কৰ'না সংক্ৰমণৰ


প্ৰিভেলেন্সে তৃতীয় লহৰৰ বিপক্ষে শিশুক কবচৰ দৰে ৰক্ষা কৰিব বুলি আশা কৰা হৈছে। উক্ত সমীক্ষাৰ বাবে পাঁচখন ৰাজ্যৰ পৰা ১০ হেজাৰ নমুনা সংগ্ৰহ কৰা হৈছিল। তাৰ ভিতৰত চাৰিখন ৰাজ্যৰ ৪, ৫০০ নমুনাক আধাৰ হিচাপে লৈ উক্ত প্ৰতিবেদন যুগুতোৱা হৈছে।

# ব্ৰহ্মপুত্ৰৰ ওপৰত শীঘ্ৰে তৃতীয়খন দলং

সম্পূৰ্ণ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে এই বৈঠকতে বিভাগক নিৰ্দেশ দিয়ে। আনহাতে ব্ৰহ্মপুত্ৰৰ ওপৰত পলাশবাৰী-শুৱালকুছি সংযোগী প্ৰস্তাৱিত দলংখনৰ ‘এলাইনমেণ্ট’ এইখন বৈঠকতে চূড়ান্ত কৰা হয়। মুখ্যমন্ত্ৰীয়ে এই দলংখন চাৰিলেনযুক্ত কৰাৰ বাবে এইখন বৈঠকতে নিৰ্দেশ দিয়াৰ লগতে এই সম্বন্ধে যাৱতীয় মডেল তথা বিস্তৃত প্ৰকল্প প্ৰতিবেদন শীঘ্ৰে প্ৰস্তুত কৰিবলৈ বিভাগক নিৰ্দেশ দিয়ে।

# দৈনিক তিনি লাখকৈ লোকক

বুলি অৱগত কৰিছে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই মুখ্যমন্ত্ৰী সচিবালয়ৰ পৰা ভিডিঅ' কনফাৰেন্সযোগে আটাইকেইখন জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু স্বাস্থ্য বিভাগৰ বিষয়াসকলৰ সৈতে বৰ্ধিত টিকাকৰণ অভিযান সন্দৰ্ভত আলোচনাত মিলিত হয়। এই আলোচনাকালতে মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰতিখন জিলাকে ব্যাপক হাৰত টিকা প্ৰদান কৰাৰ বাবে সাজু হ'বলৈ নিৰ্দেশ দিয়ে। এতিয়াৰে পৰা ৰাজ্যত কোভাক্সিন আৰু কোভিশ্বিল্ড দুয়োবিধ ড'জেই উপলব্ধ হ'ব বুলি উল্লেখ কৰি ডঃ শৰ্মাই লগতে এই কথাও অৱগত কৰে যে এতিয়াৰে পৰা ১৮-৪৪ বছৰ আৰু ৪৫ বছৰৰ উৰ্দ্ধৰ বুলি পৃথকে পৃথকে ভেকচিন নাথাকিব। সমগ্ৰ ভেকচিন প্ৰক্ৰিয়া একত্ৰীকৰণ কৰা হ'ব আৰু এতিয়াৰে পৰা মাত্ৰ এটা গ্ৰুপ অৰ্থাৎ ১৮ বুলি ৰাজ্যজুৰি ভেকচিন দিব। ২১-৩০ জুনৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰিবলগীয়া ভেকচিন উচিতভাৱে প্ৰদান কৰিব পাৰিলে জুলাই মাহত ভেকচিন প্ৰদানৰ মাত্ৰা কেন্দ্ৰীয় চৰকাৰে আৰু অধিক বৃদ্ধি কৰিব বুলিও ইংগিত দিয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে।


জনতাৰ চৰকাৰ
my GOV मेरी सरकार
ড্ৰাগছৰ বিৰুদ্ধে অসম আৰক্ষীৰ
অপ্ৰতিৰোধ্য অভিযান
আমাৰ লক্ষ্য এখন
ড্ৰাগছমুক্ত অসম
মুঠ পঞ্জীকৃত ঘটনা ঃ ১২০ টা
আটক ঃ ২২৩ জন
উদ্ধাৰ হোৱা সামগ্ৰী ঃ
হেৰইন ঃ ২,৪৩৯ গ্ৰাম
গাঞ্জা ঃ ৯১ কিঃগ্ৰাঃ
কফ চিৰাপ ঃ ১৭,৫৫১ টা বটল
মেথ টেবলেট ঃ ১,৫৭,০৬১ টা
মৰ্ফিন ঃ ১৪.১৬ গ্ৰাম
নগদ ধন ঃ ১০.৫ লাখ টকা
(২৫ মে' - ২৯ মে', ২০২১ পৰ্যন্ত)
JANASANYOG-532/21
পঞ্জীয়ন কৰক :
assam.mygov.in
/mygovassam
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow Us /@diprassam
https://dipr.assam.gov.in/

E-mail us-
rongilibartamedhi@gmail.com

Rongili Barta
GUWAHATI—781025
৫ আহাৰ, ১৪২৭ চন Rongili Barta, Date of Published- 20 JUNE, 2021

# ভাৰত আৰু আফগানিস্তানৰ ফিফাৰ অন্তিম কোৱালিফায়িং মেচ ১-১ৰ ব্যৱধানত ড্ৰ’

**অনলাইন বাৰ্ত্তাসেৱাঃ-** খেলখন অতি প্ৰতিযোগিতামূলক হৈ পৰিছিল দ্বিতীয়াৰ্ধত। দ্বিতীয়াৰ্ধতে দুয়োটা দল আক্ৰমণাত্মক হৈ পৰে। দুয়োটা দলে নিৰন্তৰ আক্ৰমণৰ সৈতে তেওঁলোকৰ প্ৰতিদ্বন্দীতা কৰিছিল। প্ৰথমাৰ্ধত কোনোটো দলেই স্ক’ৰ কৰিবলৈ সক্ষম নহ’ল। দ্বিতীয়াৰ্ধত ৭৫ মিনিটত আফগানিস্তানৰ গ’ল কিপাৰ ‘অ’ভাইচ আজিজি’য়ে নিজৰ গ’ল প’ষ্টটেইত গ’ল কৰে আৰু ফলত ভাৰতে অগ্ৰগতি লাভ কৰে। আফগানিস্তানে পিছত পুনৰ এটা গ’ল স্ক’ৰ কৰে আৰু দুয়োটা দলে সমতা স্থাপন কৰে। উল্লেখ্য যে যদিও ভাৰতে ফিফাৰ বাবে কোৱালিফাই কৰিবলৈ সক্ষম নহ’ল তথাপি আগন্তুক ২০২৩ ৰ এছিয়া কাপৰ বাবে কোৱালিফাই কৰিবলৈ সক্ষম হয় এই খেলখনৰ জড়িয়তে।



# ইনষ্টাগ্ৰামত ক্ৰিষ্টিয়ানো ৰোণাল্ডোৱে গঢ়িলে আন এক অভিলেখ



**অনলাইন বাৰ্ত্তাসেৱাঃ-** অনুগামীৰ সংখ্যাৰে সকলোকে চমকিত কৰিলে ক্ৰিষ্টিয়ানো ৰোণাল্ডোৱে। ছ’চিয়েল মিডিয়াত এক আকাশলংঘী অভিলেখ গঢ়িলে পৰ্তুগীজ তাৰকা ক্ৰিষ্টিয়ানো ৰোণাল্ডোৱে। শুক্ৰবাৰে ইনষ্টাগ্ৰামত অনুগামীৰ সংখ্যা ৩০০ মিলিয়ন অতিক্ৰম কৰি বিশ্বৰ প্ৰথমজন লোক হিচাপে এই অভিলেখ গঢ়িলে ফুটবল তাৰকাগৰাকীয়ে। উল্লেখ্য যে ইনষ্টাগ্ৰামত ২০০ মিলিয়ন অনুগামীৰ সীমা পাৰ কৰা বিশ্বৰ প্ৰথমজন আছিল ক্ৰিষ্টিয়ানো ৰোণাল্ডো। খেলুৱৈৰূপে ক্লাব তথা আন্তঃৰাষ্ট্ৰীয় স্তৰত ধাৰাবাহিক দুৰ্দান্ত প্ৰদৰ্শনেৰে বিশ্বৰ চুকে-কোণে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হোৱা ৰোণাল্ডো এজন ব্যক্তি হিচাপেও আন বহু কাৰণত জনপ্ৰিয়। তেওঁৰ স্পষ্টবাদী মানসিকতা, আতৰ্জনলৈ আগবঢ়োৱা নিঃস্বাৰ্থ সহায় আদি প্ৰায়ে সংবাদ মাধ্যমৰ চৰ্চাৰ বিষয় হৈ পৰে। এইগৰাকী তাৰকা ফুটবলাৰে এইবাৰ খেলপথাৰত নহয়, বৰং ইনষ্টাগ্ৰামত অনুগামীৰ সংখ্যা ৩০০ মিলিয়নৰ সীমা অতিক্ৰমী গঢ়িলে আন এক অভিলেখ যি অভিলেখ ভংগ কৰাটো আন চেলিব্ৰেটীৰ বাবে সহজ নহ’ব।

# ২৪ জুনত সম্ভাৱনা সৰ্বদলীয় বৈঠকৰ

**অনলাইন বাৰ্ত্তাসেৱাঃ-** বিশেষ ৰাজ্যৰ মৰ্যাদা অন্ত পৰাৰ প্ৰায় ৩ বছৰৰ পাছত জম্মু-কাশ্মীৰৰ আভ্যন্তৰীণ পৰিস্থিতিক লৈ উচ্চস্তৰীয় পৰ্যায়ত নানা ধৰণৰ বৈঠক চলি আছে। সংবাদ প্ৰতিষ্ঠানে প্ৰকাশ কৰা অনুসৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৪ জুনত সৰ্বদলীয় বৈঠক আহ্বান কৰাৰ সম্ভাৱনা আছে। ইয়াৰ বাবে ইতিমধ্যে সকলো দলকে জনোৱা হৈছে বুলি সূত্ৰই প্ৰকাশ কৰে। সূত্ৰটোৱে সদৰী কৰা মতে জম্মু-কাশ্মীৰত চলি থকা ৰাজনৈতিক গতিৰোধৰ বাহিৰেও অন্যান্য বিষয় সম্পৰ্কত উক্ত সৰ্বদলীয় বৈঠকত আলোচনা হোৱাৰ সম্ভাৱনা আছে। বৈঠকত জম্মু কাশ্মীৰত অনুষ্ঠিত হক্সবলগীয়া বিধানসভা নিৰ্বাচন সম্পৰ্কতো আলোচনা চলিব পাৰে বুলি সূত্ৰটোৱে প্ৰকাশ কৰিছে। স্মৰ্তব্য যে ইয়াৰ পূৰ্বে অমিত শ্বাহে শুকুৰবাৰে গৃহ মন্ত্ৰালয়ত এখন উচ্চক্তৰীয় বৈঠকত মিলিত হয়। উক্ত বৈঠকত ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল, গৃহ সচিব অজয় ভাল্লা, ইণ্টেলিজেন্স ব্যুৰো (আই বি)ৰ সঞ্চালক অৰবিন্দ কুমাৰ, ৰিচাৰ্চ এণ্ড এনালাইছিছ উইং(ৰ’)ৰ মুৰব্বী সামন্ত কুমাৰ গোৱেল, চি আৰ পি এফৰ মুৰব্বী কুলদীপ সিং আৰু জম্মু কাশ্মীৰৰ আৰক্ষী সঞ্চালকপ্ৰধান দিলবাগ সিঙে অংশগ্ৰহণ কৰিছিল। উক্ত বৈঠকৰ পূৰ্বে অমিত শ্বাহে জম্মু কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাৰ সৈতেও সাক্ষাৎ কৰিছিল।

# দেশত মহামাৰী কৰ’নাৰ তৃতীয় জোৱাৰ অহাটো অপ্ৰতিৰোধ্য

কঠোৰভাৱে মানি নচলে তথা কৰ’নাৰ দ্বিতীয় জোৱাৰ আঁতৰিব ধৰিছে বুলি উৎফুল্লিত হৈ বেপৰোৱাভাৱে চাল-চলন কৰিবলৈ ধৰে তেন্তে অহা ৬-৮ সপ্তাহৰ ভিতৰতে দেশজুৰি মহামাৰী কৰ’নাৰ তৃতীয় জোৱাৰৰ বিভীষিকা আৰম্ভ হোৱাটো নিশ্চিত। তেওঁ কৈছে যে দেশৰ জনসংখ্যাৰ এক বৃহৎ অংশৰ ভেকচিন প্ৰক্ৰিয়াৰে সামৰি ল’ব নোৱাৰা পৰ্যন্ত সকলোৱে কোভিড-১৯ প্ৰতিৰোধী বিধি-ব্যৱস্থাসমূহ অত্যন্ত নীতি-নিষ্ঠাৰে মানি চলিব লাগিব। ইয়াৰ অন্যথা দেশজুৰি কোভিড-১৯ৰ তৃতীয় জোৱাৰ অহা ডেৰ-দুমাহৰ ভিতৰত আৰম্ভ হোৱাৰ সম্ভাৱনা অতি স্পষ্ট বুলি তেওঁ সকীয়াই দিছে। তেওঁ কয় যে মহামাৰী কৰ’নাৰ দ্বিতীয় জোৱাৰ শাম কাটিবলৈ আৰম্ভ কৰাৰ পৰিপ্ৰেক্ষিতত দেশজুৰি লকডাউন শিথিলকৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। একেদৰে জনসাধাৰণেও কোভিড প্ৰতিৰোধী নীতি-নিৰ্দেশনাসমূহ আওকাণ কৰি বেপৰোৱাভাৱে বিভিন্ন স্থানত সমৱেত হোৱাৰ প্ৰৱণতা পুনৰ স্পষ্ট হ’বলৈ ধৰিছে। সমগ্ৰ বিশ্বকে বিপৰ্যস্ত কৰি ৰখা কৰ’নাৰ প্ৰথম আৰু দ্বিতীয় জোৱাৰৰ পৰা দেশবাসীয়ে শিক্ষা নোলোৱা বুলি আক্ষেপ কৰি ডাঃ গুলেৰিয়াই কয় যে দেশৰ প্ৰান্তে প্ৰান্তে পুনৰ জনসমাগম বৃদ্ধি পাবলৈ ধৰিছে।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃ সম্পাদকঃ-শ্ৰী ধীৰেণ ভট্টাচাৰ্য্য সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor : Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286